# প্ৰহ্লাদ চৰিত

জয় নমো নাৰায়ণ বৈকুণ্ঠৰ পোতি।
তোমাৰ চৰণে লৈলো সৰন সম্প্ৰোতি।।
বামন পুৰান ইতো প্ৰহ্লাদ চৰিত্ৰ।
হেম সৰোচতি বিৰোচিলা ইতো কৃত্য।। ১
এক দিনা দেৱগনে চিন্তিলা উপাই।
জেন মতে দুৰাচাৰ দৈত্য বধ জাই।।
সবে দেৱ চলি গৈলা বিষ্টুৰ সভাক।
আদেসিও প্ৰভুদেৱ ৰাখিও আমাক।। ২
হিৰন্য দৈত্যৰ পাসে খাটে সৱে দেৱ।
তুমি বিনে ৰক্ষাকৰ্ত্তা আন নাহি কেৱ।।
সুনি নাৰায়নে দিলা দেৱক উপাই।
থাকিও নিৰ্ভএ দৈত্য বধিবুহুঁ মঞিঃ।। ৩
এহি বুলি নাৰায়নে সভা বিসোৰ্জ্জিলা।
আপুন থানক দেৱগন চলি গৈলা।।
হিৰন্যৰ পুত্ৰ ভৈলা বৈষ্ণৱ প্ৰহ্লাদ।
এক দিনা পিতা পুত্ৰে লাগিলা বিবাদ।। ৪
সেহি দিনা প্ৰভুদেৱ জগতৰ পোতি।
আদেসিলা বিবাদ লগাও সৰোচতি।।
স্বামিৰ বচন দেবি কোৰি সিৰোগত।
প্ৰবেসিলা সৰোচতি তাহান কণ্ঠোত।। ৫
সেহি বেলা প্ৰহ্লাদে বৈষ্ণৱ ৰূপ ধোৰি।
হিৰন্যৰে আগে গৈআ সুমৰিলা হৰি।।
হেন সুনি হিৰন্যৰ ক্ৰুধ ভৈলা মন।
দুৰাচাৰ পুত্ৰ তঞিঃ কিনো অগিআন।। ৬

কোঠেৰ হৰিক সুমৰস দুৰাচাৰ।
আমাৰ বংশত তঞ্ৰিও ভৈলি কুলাঙ্গাৰ।।
পুনোৰপি প্ৰহ্লাদে সুমৰে হৰি হৰি।
ৰাজা বুলে পুত্ৰ নতু পঢ়ে সিসু ধোৰি।। ৭
সিকাৰণে মন্দ বাক্য উপজে মনোত।
বয়স ভৈল সে জানিবেক সাৰ তত্ব।।
হেন মনে গুনি ৰাজা নপান্ত উপাই।
দৈত্য গুৰু শুক্ৰক জে অনাইলা মতাই।। ৮
জান্তে লৈআ জাহা গুৰু থৈবে নুজুৰাই।
মোৰ পুত্ৰ প্ৰহ্লাদক দিওক পঢ়াই।।
ৰাজাৰ বচনে শুক্ৰ চালিলেক গাৰ।
প্ৰহ্লাদক লৈআ গৈলা আপুনাৰ থাৰ।। ৯
শুক্ৰ জে বদতি সুনা ৰাজাৰ তনয়।
পিতৃৰ বচনে তুমি পঢ়িবে লাগঅ।।
প্ৰহ্লাদে মাতন্ত পাচে শুক্ৰ মুখ চাই।
পোঢ়িবাৰ উপদেস দিওক বুজাই।। ১০
সণ্ঢামৰ্ক নামে দুও শুক্ৰৰ তনয়।
প্ৰহ্লাদক পঢ়াৰন্ত সাস্ত্ৰ বামানয়।।
হেন সুনি প্ৰহ্লাদে সুমৰে হৰি হৰি।
বামানয় শাস্ত্ৰ গুৰু পঢ়ো কেনকোৰি।। ১১
কিবা শাস্ত্ৰ পোঢ়িবু পোঢ়িতে নাহি জ্ঞান।
জন্মে জন্মে হৌক মোৰ হৰিতে ধিআন।।
হৰি হেন বানি নচাড়োক সৰ্ব্বক্ষন।
সুনি শুক্ৰ গুৰু পাচে ক্ৰুধ ভৈলা মন।। ১২
তাৰক্ষনে গৈলা গুৰু নৃপতিৰ ঠাঞিও।
তজু পুত্ৰ প্ৰহ্লাদক পঢ়ান নজাই।।
মঞিও উপদেস জত দেঞোে ভাল কোৰি।
তাক এৰি প্ৰহ্লাদে সুমৰে হৰি হৰি।। ১৩

হেন সুনি হিৰন্যোৰ ক্রুধ ভৈলা মন।
প্রহ্লাদক মাতি আন অৰে দূতগণ।।
ৰাজাৰ আদেখে দূত গৈলা সিঘ্র কৰি।
প্রহ্লাদক আনি ঠেকাইলেক দৰদড়ি।। ১৪
সবে সমজ্যাৰ লোক আচে চাই চাই।
তথাপিও প্রহ্লাদৰ ভুৰু ভঙ্গ নাই।।
তাৰক্ষনে সুমৰিলা সাতবাৰ হৰি।
ৰাজাৰ আগত ৰৈলা মৌন ৰূপ ধৰি।। ১৫
অধিকে জলিলা কোপ হিৰন্যকোসিপু।
দুৰাচাৰ পুত্র তঞিও ভৈলি মোৰ ৰিপু।।
হৰি সুমৰস তঞিও মোহোৰ আগত।
সুনি সুচি তাৰে জেন মোহোৰ কানত।। ১৬
একে জে অসুৰ আমি বিধি বামানয়।
হৰি সুমৰনে পাপ অধিকে চাপয়।।
মোত খাটে হৰি হৰ ব্রহ্মা পুৰন্দৰ।
কোন দেৱ আচে আউৰ মোহোৰ উপৰ।। ১৭
তিনিও ভুবনে দেখা মঞিও অধিকাৰি।
মোৰ পুত্র হুয়া তঞিও সুমৰস হৰি।।
দুৰাচাৰ পুত্র তঞিও এভো হেন কৰ।
প্রানখানি ৰক্ষা কৰ হৰি নুসুমৰ।। ১৮
বিসেখোত হৰি মোৰ হন্ত ভাতৃবৈৰী।
বামানয় শাস্ত্রক পঢ়িও ভাল কৰি।।
প্রহ্লাদ বদতি বাপ নাসে আন বানি।
হৰি সুমৰনে মোৰ জাউক প্রান খানি।। ১৯
ক্রোধিলেক ৰাজাএ পুত্রৰ সুনি বানি।
তুলাত লাগিলা জেন প্রচণ্ড অগনি।।
ক্রোধৰ বেগত ৰাজা ন পান্ত উপাই।
থৰমৰ কোৰিআ পুত্রক আচে চাই।। ২০
চাৰি দিখে দৃষ্টি ভৰি চাহন্ত নিৰোখি।
কৌটি সহস্রেক হস্তি মাউতে আচে ৰোখি।।

হস্তিগনে আদেখিলা মাৰ জান্ত কোৰি।
দেখো কেনমতে আক ৰক্ষা কোৰে হৰি।। ২১
ৰাজাৰ সুনিআ হেন প্ৰচণ্ড বচন।
কৌটি সহস্ৰেক হস্তি ধাইলা তেতিক্ষন।।
একো একো হস্তি জেন পৰ্ব্বত সদৃখ।
দান্ত ভিৰি গৰ্জ্জিআ ধাইলেক দসোদিখ।। ২২
ৰাজা বোলে জান্তে মাৰ বিলম্ব নোকৰি।
প্ৰহ্লাদে বোলন্ত মোক ৰক্ষা কৰা হৰি।।
অন্তকালে প্ৰহ্লাদে সুমৰে ৰিখিকেশ।
তেতিক্ষণে হৰি তাৰ হিআত প্ৰবেস।। ২৩
মাধৱত পৰে কোন আচে সংসাৰত।
তাৱক্ষনে প্ৰবেসিলা তান সৰিৰত।।
তেতিক্ষনে হৈলা বজ্ৰসম কলেবৰ।
অচেদ অভেদ দেহা অজৰ অমৰ।। ২৪
হস্তিগনে বেঢ়ি দন্তে ভিৰি সিৰ কন্ধে।
ভেদিতে নপাৰে তাক অনেক প্ৰবন্ধে।।
সুণ্ডে মেঢ়াই আনি কতো চতকয় পাৱে।
কিঞ্চিতো নটলে দেহা হৰিৰ প্ৰভাৱে।। ২৫
দান্ত ভিৰিলেক জিতো দান্ত গৈলা ভাগি।
সুণ্ডে মেঢ়াইলেক জিতো সুণ্ড গৈলা চিগি।।
মাৰিবে নপাৰি হস্তিগন অন্তৰিলা।
হেন দেখি হিৰন্যো জে ৰাজাএ ডৰিলা।। ২৬
মনে মনে গুনি ৰাজা কোৰিলন্ত সাৰ।
হস্তি সাধ্য মন্ত্ৰ কিবা জানে দুৰাচাৰ।।